**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-04-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**::::::::::::::::::::::::::::::::::::**

## HEADLINES

ৰাজ্যৰ ৫ টা সমষ্টিত আজি শান্তিপূৰ্ণভাৱে দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ সম্পন্ন হয়। অৱশ্যে ৫ বজাৰ আগেয়ে ভোটকেন্দ্ৰসমূহত উপস্থিত হোৱা ভোটদাতাসকলক ভোটদানৰ সুবিধা প্ৰদান কৰি থকা হৈছে। বিয়লি ৩ বজা পৰ্যন্ত ৰাজ্যখনত ৬০ শতাংশৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে। আজি প্ৰতিটো সমষ্টিৰ অন্তৰ্গত ভোটকেন্দ্ৰসমূহত পুৱা ৭ বজাৰে পৰা ভোটদাতাৰ দিঘলীয়া শাৰী পৰিলক্ষিত হয়। দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাওঁ সমষ্টিত নিয়াৰিকৈ ভোটগ্ৰহণ সম্পন্ন হৈছে বুলি আমাৰ সংবাদাতাসকলে জানিবলৈ দিছে। দৰং-ওদালগুৰি সমষ্টিত ৬৪ দশমিক ৪ - ৩, ডিফুত প্ৰায় ৬১ শতাংশ, কৰিমগঞ্জত ৬০ শতাংশৰো অধিক, নগাওঁত ৬০ দশমিক ৫-৬ আৰু শিলচৰত ৫৩ শতাংশৰো অধিক ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিছে। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত ৰাজ্যখনত ২ গৰাকী মহিলা প্ৰাৰ্থীসহ মুঠ ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে। ইয়াৰ ভিতৰত কৰিমগঞ্জত সৰ্বাধিক ২৪ গৰাকী, নগাঁৱত ১৩, দৰং-ওদালগুৰিত ১১, শিলচৰত ৮ আৰু ডিফুত ৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা কৰিছে।

দৰং-ওদালগুৰি সমষ্টিত এন ডি এৰ প্ৰাৰ্থী  তথা সাংসদ দিলীপ শইকীয়া, কংগ্ৰেছৰ মাধৱ ৰাজবংশী আৰু বিপিএফৰ দুৰ্গাদাস বড়োয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইপিনে, শিলচৰত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী মন্ত্ৰী পৰিমল শুক্লবৈদ্য, তৃণমূল কংগ্ৰেছৰ ৰাধেশ্যাম বিশ্বাস আৰু কংগ্ৰেছ দলৰ সূৰ্য্যকান্ত সৰকাৰে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। কৰিমগঞ্জত বিজেপি মিত্ৰজোঁটৰ কৃপানাথ মাল্লা, কংগ্ৰেছৰ হাফিজ ৰছিদ চৌধুৰী আৰু এ আই ইউ ডি এফৰ চাহাবুল ইছলাম চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। নগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ বিপৰীতে কংগ্ৰেছ দলৰ প্ৰদ্যুৎ বৰদলৈ আৰু এ আই ইউ ডি এফৰ আমিনুল ইছলামে প্ৰতিদ্বন্দ্বিতা কৰিছে। অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত ডিফু সমষ্টিত বিজেপি মিত্ৰজোঁটৰ হে অমৰ সিং টিছ', কংগ্ৰেছৰ জয়ৰাম ইংলেং আৰু গণ সুৰক্ষা পাৰ্টিৰ জন বাৰ্নাড চাংমাই প্ৰতিদ্বন্দ্বিতা কৰিছে।

শিলচৰ সংসদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী পৰিমল শুক্লবৈদ্যই আজি পুৱাৰ ভাগতে সমষ্টিটোৰ ঢলাইত ভোটৰ অধিকাৰ সাব্যস্ত কৰে। নগাওঁ লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুত বৰদলৈয়ে মৰিকলং উচ্চ মাধ্যমিক বিদ্যালয় আৰু বিজেপিৰ প্ৰাৰ্থী সুৰেশ বৰাই উৰিয়াগাওঁ বালিকা মজলীয়া বিদ্যালয়ৰ ভোটগ্ৰহণ কেন্দ্ৰত ভোটদান কৰে। কৰিমগঞ্জ লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী কৃপানাথ মাল্লাই গংগাৰাম হিন্দী বিদ্যালয় ভোটগ্ৰহণ কেন্দ্ৰত গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ বিপৰীতে কংগ্ৰেছ দলৰ প্ৰাৰ্থী হাফিজ ৰছিদ চৌধুৰীয়ে দুপৰীয়াৰ ভাগত ভোটদান কৰে।

আমাৰ ডিমা হাচাও জিলাৰ সংবাদদাতাই জনোৱা মতে, ডিফু সমষ্টিৰ অন্তৰ্গত হাফলং নিৰ্বাচনী জিলাৰ শেহতীয়া তথ্য অনুসৰি ৬৫ শতাংশৰো অধিক ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিছে। একেদৰে কৰিমগঞ্জৰ সমষ্টিৰ অন্তৰ্গত বিয়লি ৩ বজা পৰ্যন্ত ৬০ শতাংশৰো অধিক ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰে। নগাওঁ নিৰ্বাচনী জিলাৰ অন্তৰ্গত কেন্দ্ৰসমূহত ৬২ শতাংশৰো অধিক ভোটদাতাই আৰু ওদালগুৰি জিলাত ৬১ শতাংশৰো অধিক ভোটদান হোৱা বুলি আমাৰ সংবাদদাতাসকলে জানিবলৈ দিছে।

oooooo

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণত আজি ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ৮৮ খন আসনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। বিয়লি ৩ বজা পৰ্যন্ত ৰাষ্ট্ৰীয় পৰ্যায়ত ৫০ দশমিক ২-৫ শতাংশ ভোটদান সম্পন্ন হৈছে।

আজি ভোটগ্ৰহণ অনুষ্ঠিত সমষ্টিসমূহৰ ভিতৰত কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা ৰাহুল গান্ধীয়ে কেৰালাৰ ৱায়ানাডৰ পৰা প্ৰতিদ্বন্দিতা আগবঢ়াইছে। দলটোৰ জ্যেষ্ঠ নেতা শশী ঠাৰুৰে তিৰুৱনন্তপুৰম লোকসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দিতাত নামিছে। দক্ষিণ বেংগালুৰু লোকসভা সমষ্টিৰ পৰা বিজেপিৰ প্ৰাৰ্থী তেজশ্বী সূৰ্য্যাৰ বিৰুদ্ধে কংগ্ৰেছৰ সৌম্য ৰেড্ডীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে। ইপিনে, অভিনেত্ৰী তথা বিজেপিৰ সাংসদ হেমা মালিনীয়ে মথুৰা সমষ্টিৰ পৰা আৰু অভিনেতা অৰুণ গভিলে মিৰাট সমষ্টিৰ পৰা প্ৰতিদ্বন্দিতা আগবঢ়োৱাৰ উপৰি কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী এইচ ডি কুমাৰাস্বামীয়ে জে ডি এছ্ দলৰ হৈ মাণ্ডিয়া লোকসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দিতা আগবঢ়াইছে। চুবুৰীয়া ৰাজ্য পশ্চিমবংগৰ ৩ টা লোকসভা সমষ্টিত আজি দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচন অনুষ্ঠিত হৈছে। ইয়াৰে ভিতৰত বালোৰঘাট সমষ্টিত তৃণমূল কংগ্ৰেছৰ প্ৰবীণ নেতা তথা মন্ত্ৰী বিপ্লৱ মিত্ৰই প্ৰাৰ্থিত্ব আগবঢ়োৱাৰ বিপৰীতে সমষ্টিটোত বিজেপিৰ ৰাজ্যিক সভাপতি সুকান্ত মজুমদাৰ অৱতীৰ্ণ হৈছে। ooo

ooooo

ৰাজ্যত লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। মুখ্যমন্ত্ৰী ডo হিমন্ত বিশ্ব শৰ্মাই আজি পশ্চিম গোৱালপাৰা বিধানসভা সমষ্টিত দলীয় প্ৰাৰ্থী বিজুলী কলিতা মেধীৰ হৈ নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে। ডo শৰ্মাই দ্বৈত ইঞ্জিনৰ চৰকাৰৰ বিভিন্ন কল্যাণমূলক আঁচনি সন্দৰ্ভত স্থানীয় জনসাধাৰণ সৈতে কথা পাতে। তেওঁ কয় যে, চৰকাৰে জিলাখনত বানপানী আৰু গৰাখহনীয়াৰ সমস্যা প্ৰতিহত কৰাৰ উদ্দেশ্যে বহুমুখী কৌশল গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে চলিত বৰ্যত ৰাজ্য চৰকাৰে পুনৰ ৫০ হাজাৰ নিবনুৱাক সংস্থাপন দিব বুলি প্ৰতিশ্ৰুতি দিয়ে।

মুখ্যমন্ত্ৰীগৰাকীয়ে বৰপেটা লোকসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে। ডo শৰ্মাই বৰপেটা সমষ্টিৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ হৈ অভয়াপুৰীত আয়োজিত নিৰ্বাচনী সভাত প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীগৰাকীয়ে গুৱাহাটী লোকসভা সমষ্টিত আয়োজিত বিজয় সংকল্প যাত্ৰাতো অংশগ্ৰহণ কৰে।

কংগ্ৰেছৰ নেতা গৌৰৱ গগৈ আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰীনজ্যোতি গগৈয়ে আজি দুধনৈত গুৱাহাটী লোকসভা সমষ্টিৰ মনোনীত প্ৰাৰ্থী মীৰা বৰঠাকুৰৰ হকে নিৰ্বাচনী প্ৰচাৰ চলায়।

ইপিনে, নিখিল ভাৰত কংগ্ৰেছ সমিতিৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে কাইলৈ কয়াকুছিত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। এই সভাত সমিতিৰ সভাপতি ভূপেন কুমাৰ বৰা, তথা দলীয় নেতা দেৱব্ৰত শইকীয়া, গৌৰৱ গগৈকে ধৰি কেবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকিব।

০০০০০

ঃসমাপ্তঃ